***Kumnagar***,the adopted village of *Pub Kamrup College* is located in the Kamrup district of Bezera Development Block. The village is located in the foothills of Dewangiri and Gopeswar & Mandakata foot hills.The absolute location of the village is in between $26^{0}18^{/}50^{//}$ North latitude and 91045/ East longitude. The total geographical area of the village is 148.5 bighas. Kumnagar attains an extra privilege as it is located just near the Madan Kamdev ,a treasure house of Assam, an archaeological site in Baihata, Kamrup, Assam. This place dates back to the 9th and 10th century AD. Excavation and ruins here shows the prosperity and might of Pala dynasty of Kamarupa'.

## Some Panoromic View of the site are-



**Sculpture, Madan Kamdev**



**Sculpture, Madan Kamdev**

Perhaps there is no place in India except Khajuraho and Kanarak, where basic weaknesses of mortals caught in fear, doubt, love, jelously and consumate passion have been so eloquently expressed. It is realy a mystery, how Madan Kamdev, a place exquisite antiquities, so near to

Guwahati escaped the notice of all for such a long time. It is now established that many priceless imageses of Madan Kamdev were either stolen by curio hunters or by religion-duped villagers without perhaps realising the value of the curving they removed.




**Sculpture, Madan Kamdev Temple**



**<u>The scenic beauty of Kumnagar- *Silsaronia Stream (a waterfall).*</u>**





# পূব কামৰূপ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰৰ সামৰণি




নিজা বাতৰি দিওঁতা

**দুমুনিচৌকী, ১৩ এপ্ৰিল :** বাইহাটা চাৰিআলিস্থিত পূব কামৰূপ মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশেষ শিবিৰ মহাবিদ্যালয়খনৰ পোষ্য গ্ৰাম মাল্পাকাটাৰ কুম নগৰত যোৱা ৬ এপ্ৰিলত সামৰণি পৰে। ৬ এপ্ৰিললৈ ৭ দিনীয়াকৈ আয়োজিত শিবিৰটোত মহাবিদ্যালয়খনৰ ২৫ জন আৰু পোষ্য গ্ৰামৰ ১৫ জন স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰে। সাতদিনীয়া বিশেষ শিবিৰ অনুষ্ঠিত কৰি গাঁওখনৰ শিক্ষা, স্বাস্থ্য, অৰ্থনীতি আদি দিশত উন্নয়ন আৰু বিকাশ হ'ব পৰাকৈ বিভিন্ন বিষয়ত আঁচনি প্ৰস্তুত কৰাৰ লগতে উক্ত আঁচনিসমূহৰ বিষয়ে বিভিন্ন কৰ্ম আঁচনি সম্পাদিত কৰা হয়। প্ৰথমদিনা পুৱা ৯-৩০ বজাত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ দীপশিখা ভূঞাই পতাকা উত্তোলনেৰে শিবিৰৰ শুভাৰম্ভণি কৰে। ২ এপ্ৰিলত মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কোষৰ তৰফৰপৰা অধ্যাপিকা বীণা ডেকা আৰু কল্পনা ভাগৱতীয়ে 'গ্ৰাম্য অৰ্থনীতিত মহিলাৰ ভূমিকা' শীৰ্ষক বিষয়ত গাঁওবাসীক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। লগতে উক্ত দিনাই মহাবিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহঃ অধ্যাপক ফণীন্দ্ৰ দাসে ভাৰতীয় সংবিধানে প্ৰদান কৰা মানৱ অধিকাৰ আৰু নাগৰিকৰ কৰ্তব্যৰ বিষয়ে বক্তৃতা আগবঢ়ায়। ৫ এপ্ৰিলত বাইহাটা চাৰিআলিস্থিত প্ৰজাপিতা ব্ৰহ্ম কুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ কৰ্মী বেহেন গাঁওবাসীক উদ্দেশ্যি 'মাদক দ্ৰব্যৰ অপকাৰিতা আৰু যুৱ উচ্ছৃংখলতা' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। তদুপৰি পশু চিকিৎসক ডাঃ ধ্ৰুৱজ্যোতি দত্তই গাহৰি পালনৰ বিজ্ঞানসম্মত পদ্ধতিৰ বিষয়ে আৰু মহাবিদ্যালয়খনৰ ৰসায়ন বিভাগৰ সহযোগী অধ্যাপক ডঃ নৃপেন্দ্ৰ নাথ তালুকদাৰে স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে বক্তৃতা প্ৰদান কৰে। শিবিৰৰ বাকী সময়ছোৱাত স্বেচ্ছাসেৱকসকলে গাঁওখনৰ বাট-পথ মেৰামতি, বৃক্ষৰোপণ, গছপুলি সংৰক্ষণৰ বাবে জেওৰা প্ৰস্তুতকৰণ, প্ৰতি ঘৰে ঘৰে গৈ চাফ-চিকুণতাৰ প্ৰতি সচেতনতা বৃদ্ধি, স্থানীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বিভিন্ন বিষয়ত পাঠদান আদি কাৰ্য সম্পাদন কৰে। ৬ এপ্ৰিলত শিবিৰৰ সামৰণী অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ, শিক্ষক গোটৰ সভাপতি সুৰেশ ডেকা, ৰসায়ন বিভাগৰ সহযোগী অধ্যাপক ডঃ নৃপেন্দ্ৰ নাথ তালুকদাৰে গাঁওবাসীক উদ্দেশ্যি বক্তৃতা প্ৰদান কৰে। উক্ত দিনা মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনিদ্বাৰা প্ৰকাশিত এক এছ এছ বুলেটিন একন মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বলেন্দ্ৰ কুমাৰ দেৱচৌধুৰী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আঞ্চলিক কেন্দ্ৰৰ যুৱ বিষয়া তথা মুখ্যী সুনীল বসুমতাৰীয়ে উন্মোচন কৰে। যুৱ বিষয়া সুনীল বসুমতাৰী আৰু সহঃ যুৱ বিষয়া উইলফিল চামেৰিই তেওঁলোকৰ ভাষণত মহাবিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাম-কাজৰ বাবে অধ্যক্ষ আৰু আঁচনি বিষয়া আয়েজ আলীৰ বিশেষ শলাগ লোৱাৰ লগতে মহাবিদ্যালয় পৰিচালক ধন্যবাদ জ্ঞাপন কৰে।